দ্বিতীয় খণ্ড

প্ৰথম অধ্যায়

# আগমনৰ ভিত্তি
# (Grounds of Induction)

এই খণ্ডৰ প্ৰথম অধ্যায়ৰ অধ্যয়নৰ পিছত তোমালোকে জানিবলৈ সমৰ্থ হ'বা —

- আগমনৰ ভিত্তি কি?
- আগমনৰ আকাৰগত আৰু বস্তুগত ভিত্তি
- আকাৰগত ভিত্তি হিচাপে আগমনত প্ৰকৃতিৰ একৰূপতা বিধিৰ গুৰুত্বপূৰ্ণ ভূমিকা
- আগমনৰ বিৰোধাভাস অৰ্থাৎ প্ৰকৃতিৰ একৰূপতা বিধি সম্বন্ধে পৰস্পৰ বিৰোধী মতবাদৰ বিষয়ে।

**বিষয়বস্তু**

- ভূমিকা
- আগমনৰ ভিত্তি
- আগমনৰ আকাৰগত আৰু বস্তুগত ভিত্তি
- প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধি আগমনৰ আকাৰগত ভিত্তি
- প্ৰকৃতিৰ একৰূপতা বিধি
- আগমনৰ বিৰোধাভাস আগমনৰ বিৰোধাভাসৰ সমালোচনা

## • ভূমিকা

আগমন অনুমানৰ উদ্দেশ্য হৈছে সিদ্ধান্ত স্বৰূপে এটা সত্য সাৰ্বিক বচন প্ৰতিষ্ঠা কৰা। এই সত্য সাৰ্বিক বচনটো প্ৰতিষ্ঠা কৰিবলৈ যাওতে আগমনে কিছুমান একে জাতীয় বিশেষ বিশেষ ঘটনা অভিজ্ঞতাৰ সহায়ত প্ৰত্যক্ষ কৰে। তাৰ পিছত সেই বিশেষ বিশেষ ঘটনাবিলাকক সামান্যীকৰণৰ সহায়েৰে সাৰ্বিক ৰূপ দিয়াৰ, অৰ্থাৎ সামান্য বচন ৰূপে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰে। কিন্তু সমস্যাই দেখা দিয়ে যেতিয়া সাৰ্বিক বা সামান্যবচনৰূপে প্ৰতিষ্ঠা কৰা সকলোবোৰ বচনেই সত্য নহয় অৰ্থাৎ বাস্তৱ জীৱনৰ লগত মিল নাখায়। উদাহৰণ স্বৰূপে, কিছুমান বিশেষ ব্যক্তিৰ মৃত্যু দেখি যি সাৰ্বিক বচন প্ৰতিষ্ঠা কৰা হয় "সকলো মানুহ হয় মৰণশীল" সকলো সময়তে সত্য। এই কথাষাৰ সত্য বুলি সকলোৱে স্বীকাৰ কৰে। কিন্তু কিছুমান বিশেষ ব্যক্তিক সাধু দেখি আমি যদি "সকলো মানুহ হয় সাধু" বুলি সামান্য বচন প্ৰতিষ্ঠা কৰো তেতিয়া এই বচনটো সত্য বুলি প্ৰমাণিত হ'ব নোৱাৰে। কিয়নো পৃথিৱীৰ সকলো মানুহ যে সাধু নহয় তাক সকলোৱে

জানে। এতিয়া এই সমস্যাটোৰপৰা সমাধান পাবৰ বাবে আগমনে দুই ধৰণৰ ভিত্তিৰ কথা উল্লেখ কৰিছে। অৰ্থাৎ কিছুমান নীতি-নিয়মৰ কথা উল্লেখ কৰিছে। যিবোৰৰ মাজেৰে অগ্ৰসৰ হ'লে আগমনাত্মক অনুমান কেতিয়াও ভুল হ'ব নোৱাৰে। এই দুই ধৰণৰ ভিত্তি হ'ল —

(১) আগমনৰ আকাৰগত ভিত্তি।

(২) আগমনৰ বস্তুগত ভিত্তি।

প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধি হৈছে আগমনৰ আকাৰগত ভিত্তি। আনহাতে পৰ্যৱেক্ষণ হৈছে আগমনৰ বস্তুগত ভিত্তি। নিৰীক্ষণ আৰু পৰীক্ষণ উভয়েই পৰ্যৱেক্ষণৰ অন্তৰ্ভুক্ত।

- **আগমনৰ ভিত্তি (Grounds of Induction)**

বিশেষ বিশেষ সম্বন্ধৰ জ্ঞানৰ ভিত্তিত সামান্য বা সাৰ্বিক সম্বন্ধৰ জ্ঞানত উপনীত হোৱাকে আগমন বোলে। আগমনত সিদ্ধান্ত স্বৰূপে আমি এটা যথাৰ্থ সামান্য বচন প্ৰতিষ্ঠা কৰোঁ। কিন্তু সিদ্ধান্ত স্বৰূপে পোৱা অনুমানটো কেতিয়াবা শুদ্ধ হয় আৰু কেতিয়াবা শুদ্ধ নহ'বও পাৰে। গতিকে শুদ্ধ যথাৰ্থ সামান্য বচন পাবৰ কাৰণে আগমনে বিশেষ কিছুমান কথাৰ ওপৰত ভিত্তি কৰি জ্ঞাত সত্যৰপৰা অজ্ঞাত সত্যলৈ যাব লগা হয়। ইয়াকে আগমনৰ ভিত্তি বুলি কোৱা হয়।

গতিকে,

যথাৰ্থ সামান্য বচন প্ৰতিষ্ঠা কৰিবলৈ হ'লে আগমনে যিবোৰ প্ৰক্ৰিয়া আৰু বিধিক আশ্ৰয় হিচাপে লয়, সেই প্ৰক্ৰিয়া আৰু বিধিবোৰকেই আগমনৰ ভিত্তি বুলি কোৱা হয়।

- **আগমনৰ আকাৰগত আৰু বস্তুগত ভিত্তি (Formal and Material Grounds of Induction)**

ইতিমধ্যে আমি পাই আহিছো যে নিগমন অনুমান এটা আকাৰগতভাৱে সত্য হ'লেই হয়। কিন্তু আগমন অনুমান এটা আকাৰগতভাৱে সত্য হোৱাৰ উপৰি বস্তুগতভাৱেও সত্য হ'ব লাগিব। অৰ্থাৎ অনুমানটো বাস্তৱ ঘটনাৰ লগত মিল আছেনে নাই তাক ভালদৰে চাব লাগিব। আগমনৰ প্ৰধান উদ্দেশ্য হৈছে সিদ্ধান্ত স্বৰূপে এটা যথাৰ্থ সামান্য বচন প্ৰতিষ্ঠা কৰা। এই যথাৰ্থ সামান্য বচনটো প্ৰতিষ্ঠা কৰিবলৈ যাওতে প্ৰথমতে, আগমনে অভিজ্ঞতাৰ সহায়েৰে কিছুমান একে জাতীয় বিশেষ বিশেষ দৃষ্টান্ত প্ৰত্যক্ষ কৰে। দ্বিতীয়তে, সেই বিশেষ বিশেষ দৃষ্টান্তৰ পৰা সামান্য বচনটো প্ৰতিষ্ঠা কৰোতে কিছুমান বিশেষ বিধি বা নিয়মৰ ওপৰত নিৰ্ভৰ কৰিছে বচনটো প্ৰতিষ্ঠা কৰে।

আগমন অনুমান এটা আকাৰগতভাৱে সত্য হ'বলৈ হ'লে, কিছুমান আকাৰগত নিয়ম অনুসৰি সিদ্ধান্তটো প্ৰতিষ্ঠিত হ'ব লাগিব আৰু বস্তুগতভাৱে সত্য হ'বলৈ হ'লে অনুমানটো বাস্তৱ ঘটনাৰ লগত মিল থাকিব লাগিব। গতিকে আগমন অনুমান এটাৰ আকাৰগত আৰু বস্তুগত সত্যতা লাভ কৰিবৰ কাৰণে দুই ধৰণৰ ভিত্তিৰ প্ৰয়োজন হয়। এটা হৈছে আকাৰগত ভিত্তি আৰু আনটো হৈছে বস্তুগত ভিত্তি।

আগমনত সাধাৰণতে দুটা আকাৰগত ভিত্তি মানি লোৱা হয়।

১। প্ৰকৃতিৰ একৰূপতা বিধি (The Law of Uniformity of Nature)

২। কাৰ্য-কাৰণ বিধি (The Law of Causation)।

যিহেতু আগমন অনুমান এটা আকাৰগতভাৱে সত্য হোৱাৰ উপৰি বস্তুগতভাৱেও সত্য হ'ব লাগিব সেয়েহে দুই ধৰণৰ বস্তুগত ভিত্তিৰো প্ৰয়োজন হয়।

(ক) পৰীক্ষণ (Experiment)

(খ) নিৰীক্ষণ (Simple observation)

আকাৰগত ভিত্তিটোৱে আগমনৰ আকাৰগত সত্যতা প্ৰতিষ্ঠা কৰে আৰু বস্তুগত ভিত্তিটোৱে আগমনৰ বস্তুগত সত্যতা প্ৰতিষ্ঠা কৰে। গতিকে দেখা গ'ল শুদ্ধ সামান্য বচন পাবলৈ হ'লে আগমনত দুই ধৰণৰ ভিত্তিৰ প্ৰয়োজন —

১। আকাৰগত ভিত্তি

২। বস্তুগত ভিত্তি।

বিশেষ বিশেষ দৃষ্টান্তবোৰৰপৰা সামান্য সত্যত উপনীত হওঁতে আৰু ইয়াৰ আকাৰগত সত্যতা প্ৰতিষ্ঠা কৰিবলৈ হ'লে আগমনে যিবোৰ বিধি বা নিয়মৰ ওপৰত নিৰ্ভৰ কৰে, সেই বিধি বা নিয়মবোৰকে আগমনৰ আকাৰগত ভিত্তি বোলে।

বিশেষ বিশেষ দৃষ্টান্তবোৰৰপৰা সামান্য সত্যত উপনীত হ'বলৈ হ'লে আৰু ইয়াৰ বস্তুগত সত্যতা প্ৰতিষ্ঠা কৰিবলৈ হ'লে আগমনে যিবোৰ প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰে, সেই প্ৰক্ৰিয়াবোৰক আগমনৰ বস্তুগত ভিত্তি বোলে।

## • প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধিক আগমনৰ আকাৰগত ভিত্তি বোলা হয়।

আগমনত কিছুমান বিশেষ বিশেষ দৃষ্টান্তৰ সহায়ত এটা সাৰ্বিক সিদ্ধান্তত উপনীত হোৱা যায়। উদাহৰণ স্বৰূপে, 'সকলো মানুহ হয় মৰণশীল' এই সাৰ্বিক বচনটো প্ৰতিষ্ঠা কৰিবলৈ হ'লে পৰ্যৱেক্ষণৰ সহায়ত কিছুমান মানুহৰ মৃত্যু প্ৰত্যক্ষ কৰা হয়। কিন্তু এজন ব্যক্তিৰ পক্ষে অতীত, বৰ্তমান আৰু ভৱিষ্যত কালৰ সকলো মানুহৰ মৃত্যু পৰ্যৱেক্ষণ কৰা অসম্ভৱ। যিহেতু তেওঁ নিজে নিজৰ মৃত্যু পৰ্যৱেক্ষণ কৰিব নোৱাৰে, সেয়েহে তেওঁৰ মৃত্যু অবিহনে 'সকলো' শব্দটোৱে পূৰ্ণতা লাভ কৰিব নোৱাৰে। দেখা গ'ল পৰ্যৱেক্ষণে সেই সমস্যাটোৰ সমাধান কৰিব নোৱাৰে। প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধিয়েহে সেই সমস্যাৰ সমাধান কৰিব পাৰে। এই দুই বিধিৰ সহায়তহে কেইজনমান মানুহৰ মৃত্যু দেখি সকলো মানুহৰ মৃত্যু নিশ্চিত কৰিব পৰা যায়। 'সকলো মানুহ হয় মৰণশীল' — এনে যথাৰ্থ সাৰ্বিক বচন প্ৰতিষ্ঠিত হয়।

যিহেতু প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধিৰ সহায়তহে এটা যথাৰ্থ সাৰ্বিক বচনৰ আকাৰগত সত্যতা প্ৰতিষ্ঠা কৰিব পৰা যায়, সেয়েহে এই দুই বিধিক আগমনৰ আকাৰগত ভিত্তি বোলা হয়।

## • প্ৰকৃতিৰ একৰূপতা বিধি (The Law of Uniformity of Nature)

প্ৰকৃতিৰ একৰূপতা বিধিটোক তৰ্কবিদসকলে বিভিন্ন ধৰণে প্ৰকাশ কৰিলেও ইয়াৰ মূল অৰ্থ এয়ে

যে — একে অৱস্থাত প্ৰকৃতিয়ে সদায় একেদৰে আচৰণ কৰে (Under similar circumstances nature behaves in the same way)। প্ৰকৃতিৰ আচৰণ একৰূপী। প্ৰকৃতি ৰাজ্য নিয়মৰ অধীন। প্ৰকৃতিত কোনো বিশৃংখলতা নাই। নিৰ্দিষ্ট পৰিস্থিতিত একোটা প্ৰাকৃতিক ঘটনাই সদায় একেদৰে আচৰণ কৰে। এক বিশেষ পৰিস্থিতিত ঘটা ঘটনা এটাৰ সেই একে বিশেষ পৰিস্থিতিৰ উদ্ভৱ হ'লে ঘটনাটোৰ পুনৰাবৃত্তি হ'ব। কোনো আকস্মিক কাৰণৰ আৱিৰ্ভাৱ নোহোৱালৈকে প্ৰকৃতিয়ে নিজৰ নিয়ম কেতিয়াও উলংঘা নকৰে।

দৈনন্দিন জীৱনত আমি বহুতো সৰু-বৰ ঘটনা দেখিবলৈ পাওঁ। প্ৰকৃতিত আমি এনে কিছুমান ঘটনা প্ৰত্যক্ষ কৰো যিবোৰৰ পুনৰাবৃত্তি আমি সদায়ে দেখি আহিছো। উদাহৰণ স্বৰূপে, প্ৰতিদিনে সূৰ্য উদয় হোৱাৰ লগে লগে গোটেই জগতখন পোহৰেৰে উদ্ভাসিত হৈ উঠে, অস্ত যোৱাৰ লগে লগে আন্ধাৰে আৱৰি ধৰে। জুন, জুলাই মাহত পৰিবেশ খুব গৰম আৰু ডিচেম্বৰ, জানুৱাৰী মাহত ঠাণ্ডা অনুভৱ কৰো। গতিকে প্ৰকৃতিয়ে একোটা নিয়মৰ মাজেৰে চলে। আকস্মিক পৰিস্থিতিৰ যদি উদ্ভৱ নহয়, প্ৰকৃতিয়ে নিয়ম কেতিয়াও ভংগ নকৰে।

প্ৰকৃতিত পৰিস্থিতিৰ যদি পুনৰাবৃত্তি হয় তেতিয়াও ঘটনাটোৰো পুনৰাবৃত্তি নিশ্চিত। অৰ্থাৎ এক বিশেষ পৰিস্থিতিত যদি এটা ঘটনা ঘটে, সেই বিশেষ পৰিস্থিতিৰ উদ্ভৱ হ'লে ঘটনাটো আকৌ ঘটিব। যি পৰিস্থিতিত পানীয়ে আমাৰ তৃষ্ণা দূৰ কৰিছিল, সেই একে পৰিস্থিতিত সদায়ে পানীয়ে আমাৰ তৃষ্ণা দূৰ কৰিবই। যি অৱস্থাত আমাক জুয়ে পুৰিছিল সেই একে অৱস্থাত জুয়ে আমাক সদায়ে পুৰিব।

প্ৰকৃতিত ঘটনাবোৰৰ এক সামন্তৰিক সম্পৰ্ক থকা দেখা যায়। আমি দেখিবলৈ পাওঁ যে শীতকাল অহাৰ লগে লগে গছ-বিৰিখৰ পাতবোৰ লাহে লাহে সৰি যায়। আকৌ বসন্তকালৰ আগমনৰ লগে লগে তাত নতুন নতুন কুঁহিপাত মেলে। উপৰিউক্ত উদাহৰণটোত দেখিবলৈ পোৱা ঘটনাকেইটা একেটা উৎস প্ৰকৃতিৰ পৰা অহা। সেয়েহে এটাৰ পৰিৱৰ্তনৰ লগে লগে আনটোৰো পৰিৱৰ্তন হোৱা দেখা যায়।

জগতৰ সকলো বস্তুৰ আচৰণৰ ক্ষেত্ৰত প্ৰকৃতি একৰূপী। অতীতত ঘটা ঘটনা এটা যদি বৰ্তমানেও ঘটিছে তেতিয়া সেই ঘটনাটো ভৱিষ্যতেও ঘটিব বুলি আমি আশা কৰিব পাৰো। সূৰ্য্য অতীততো পূৱফালে উদয় হৈছিল, বৰ্তমানেও হৈ আছে, সেয়েহে প্ৰকৃতিৰ একৰূপতা বিধিমতে আমি ক'ব পাৰো যে ভৱিষ্যতেও সূৰ্য্য পূৱফালেই উদয় হ'ব। অতীতত যদি পানীক তাপ দিলে ভাপ হৈছিল, ভবিষ্যতেও পানীক তাপ দিলে ভাপ হ'বই।

প্ৰকৃতিৰ একৰূপতা বিধি তৰ্কবিজ্ঞানৰ এটা অৱশ্যস্বীকাৰ্য স্বতঃসিদ্ধ নিয়ম। এই নিয়মক আমি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো। ইয়াক বিশ্বাস কৰিবই লাগিব। এই বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমি ক'ব পাৰো যে দিনৰ পিছত ৰাতি হয়, ৰাতিৰ পিছত দিন হয়। বসন্তকালৰ পিছত শীতকাল হয়, আকৌ শীতকালৰ পিছত বসন্তকাল হয় ইত্যাদি।

প্ৰকৃতি ৰাজ্যত পোৱা বিভিন্ন ধৰণৰ বস্তুসমূহৰ

মূল স্বভাৱৰ ক্ষেত্ৰতো প্ৰকৃতিৰ ৰূপ এক। আকস্মিক বা গৌণ গুণৰ ক্ষেত্ৰত বস্তু বা ব্যক্তি বিশেষৰ মাজত মিল নাথাকিব পাৰে। কিন্তু মৌলিক গুণসমূহ সেই একে জাতীয় বস্তুৰ ক্ষেত্ৰত এক। ইয়াৰ ব্যতিক্ৰম হ'ব নোৱাৰে। যেনেকৈ, মানুহৰ ক'লা-বগা, ওখ চাপৰ, ক্ষীণ-শকত, ধনী-নিৰ্ধনী আদি বিভিন্ন ধৰণৰ আকস্মিক গুণ থাকিব পাৰে। কিন্তু এনে কিছুমান মৌলিক গুণ আছে যিবোৰৰ কাৰণে আমি সকলোকে মানুহ বুলিয়েই কওঁ।

আকাৰৰ ফালৰপৰা প্ৰকৃতিৰ একৰূপতা বিধিটোক দুই ধৰণেৰে ভাগ কৰিব পাৰি। এটা হৈছে — অনুক্ৰমিতাৰ একৰূপতা (uniformity of succession) আৰু আনটো হৈছে— সহ-অৱস্থানৰ একৰূপতা (uniformity co-existence)। অনুক্ৰমিতাৰ একৰূপতাত আমি দুটা ঘটনা একেলগে অগা-পিচাকৈ ঘটা দেখিবলৈ পাওঁ। উদাহৰণ স্বৰূপে, দিনৰ পিছত ৰাতি হয় আকৌ ৰাতিৰ পিছত দিন হয়।

আনহাতে সহ-অৱস্থানৰ একৰূপতাত দুটা ঘটনা একেলগে প্ৰত্যক্ষ কৰা হয়। উদাহৰণ স্বৰূপে, গাখীৰ বগা, পানী পনীয়া, কয়লা ক'লা ইত্যাদি। গাখীৰ আৰু বগা গুণটো সদায় একেলগে, পানী আৰু পনীয়া গুণটো সদায় একেলগে থকা দেখা যায়। ঠিক তেনেদৰে কয়লাৰ লগত ক'লা গুণটো সদায় একেলগে থাকে।

একৰূপী হ'লেও প্ৰকৃতিত একেবাৰে খামখেয়ালি নোহোৱা নহয় যেন বোধ হয়। কিছুমান ক্ষেত্ৰত প্ৰকৃতিৰ কাৰ্যবোৰৰ ক্ষেত্ৰত একৰূপতা নাই যেনেই লাগে। উদাহৰণ স্বৰূপে, ভূমিকম্প, গ্ৰহণ, জোৱাৰ, বানপানী, বতাহ-বৰষুণ, আগ্নেয়গিৰি, ছুনামী আদি প্ৰাকৃতিক ঘটনাবোৰ প্ৰকৃতিৰ নিয়মৰে অধীন। কিন্তু দেখা যায় এই ঘটনাবোৰৰ ক্ষেত্ৰত কোনো একৰূপতা নাই। কেতিয়া হঠাৎ ভূমিকম্প হয়, কেতিয়া হঠাতে বানপানীয়ে বুৰাই পেলায়, ক'ব নোৱাৰাকৈয়ে কেতিয়া ছুনামীয়ে ধ্বংস মাতি আনে কোনেও ক'ব নোৱাৰে। সেয়েহে সাধাৰণ মানুহে ক'ব খোজে যে প্ৰকৃতিৰ কোনো একৰূপতা নাই। কিন্তু অলপ দকৈ ভাবি চালে দেখা যায় যে প্ৰকৃতিৰ কোনো ঘটনাই আকস্মিক নহয়। আকস্মিক ঘটনাবোৰো এক বিশেষ পৰিস্থিতিতহে ঘটে। সাধাৰণ দৃষ্টিকোণৰপৰা কোনো এটা ঘটনা আকস্মিক হ'ব পাৰে। কিন্তু প্ৰকৃতিৰ দৃষ্টিকোণৰপৰা কোনো ঘটনাই আকস্মিক নহয়। কেতিয়াবা ফৰকাল আকাশতো বৰষুণ দিয়া দেখা যায়। আকৌ ক'লা মেঘে আৱৰি থকা আকাশতো কেতিয়াবা বৰষুণ দিয়া দেখা নাযায়। কিছুমান নতুন নতুন পৰিস্থিতিৰ কাৰণেহে এনেধৰণৰ অস্বাভাৱিক ঘটনা ঘটা দেখা যায়। এই নতুন পৰিস্থিতিৰ উৎপত্তিৰ কাৰণো এই প্ৰকৃতিজগত আৰু ইয়াৰ নিয়মবোৰেই। কোনো কোনো ক্ষেত্ৰত প্ৰকৃতিৰ আচৰণ বিচিত্ৰ হ'লেও, প্ৰকৃতিৰ একৰূপতা বিধিটোৱে এইটো নকয় যে ইয়াত কোনো বিচিত্ৰতা থাকিব নোৱাৰে। প্ৰকৃতি একৰূপী আৰু বৈচিত্ৰ্যময়ী দুয়োটাই। কিন্তু প্ৰকৃতিৰ বুকুত ঘটা এই বৈচিত্ৰ্যময়ী ঘটনাবোৰৰ নিশ্চয় এটা প্ৰাকৃতিক কাৰণো নিহিত হৈ থাকে। এটা নিৰ্দিষ্ট পৰিস্থিতিত ঘটা ঘটনা এটাৰ যদি সেই পৰিস্থিতিৰ

অকণমানো হেৰ-ফেৰ হয় তেনেহ'লে ঘটনাটোৰো পৰিৱৰ্তন হোৱাটো খাটাং। সেই পৰিৱৰ্তনৰো এটা নিশ্চয় কাৰণ আছে। কিন্তু কাৰণটো উপলব্ধি কৰিব নোৱৰাৰ বাবেহে ঘটনাটো আমাৰ আকস্মিক যেন ধাৰণা হয়।

বিচিত্ৰতা আৰু বিভিন্নতাৰে ভৰপূৰ হ'লেও প্ৰকৃতিক এক বুলি কোৱা হয়। প্ৰকৃতিত বিভিন্ন বিভাগে ক্ৰিয়া কৰি থাকিলেও এই বিভাগবোৰ কিছুমান নিজা নিজা নিয়মৰদ্বাৰা পৰিচালিত হয়। যিহেতু বিভিন্ন বিভাগবোৰ বিভিন্ন নিয়মৰ অধীন সেয়েহে প্ৰকৃতিত এটা নিয়মেই বিৰাজ কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে, পদাৰ্থবিজ্ঞানত থকা প্ৰকৃতিৰ মূল নিয়মটো হ'ল — মাধ্যাকৰ্ষণ শক্তিৰ নিয়ম। এই নিয়মমতে প্ৰকৃতিৰ সকলো পদাৰ্থই মাধ্যাকৰ্ষণ নিয়মৰ অধীন। তেনেদৰে, জীৱবিদ্যা, ৰসায়ন বিদ্যা, জ্যোতিষবিদ্যা, মনোবিদ্যা, সমাজবিদ্যা আদি বিভাগবোৰো সেই নিৰ্দিষ্ট বিভাগৰ নিয়মৰ অধীন।

প্ৰকৃতি এখন সামগ্ৰিক জগত। প্ৰকৃতিৰ অন্তৰ্গত বিভিন্ন বিভাগবোৰ প্ৰকৃতিৰেই একো একোটা অবিচ্ছেদ্য অংগ। এই বিভিন্ন অংশবোৰ বা ভাগবোৰ বিশ্ব প্ৰক্ৰিয়াৰ লগত সামগ্ৰিকভাৱে জড়িত হৈ থাকে। প্ৰকৃতি মাত্ৰ কিছুমান অংশৰ সমষ্টিয়ে নহয়। দেখাত যদিও বিভিন্ন বিভাগবোৰৰ নিজা নিজা নিয়ম আছে আচলতে কিন্তু সকলোবিলাক নিয়মেই এক মূল সুঁতিৰপৰা উদ্ভৱ হোৱা। সকলো বিভাগেই এক সাধাৰণ নিয়মৰ বিভিন্ন প্ৰকাশ মাথোন।

- **আগমনৰ বিৰোধাভাস (Paradox of Induction)**

প্ৰকৃতিৰ একৰূপতা বিধি সম্বন্ধে মিলৰ পৰস্পৰ বিৰোধী মতবাদকে আগমনৰ বিৰোধাভাস (Paradox of Induction) বুলি কোৱা হয়। মিলৰ মতে, প্ৰকৃতিৰ একৰূপতা বিধিটো সকলো আগমনৰে এক আকাৰগত ভিত্তি আৰু পূৰ্বস্বীকাৰ্য। এই বিধিক সকলো আগমনৰ সাৰ্বিক সিদ্ধান্ত প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগতীয়াকৈ স্বীকাৰ কৰি লোৱা হয়। প্ৰকৃতিৰ আচৰণ এক বুলি মানি নল'লে আমি বিশেষ বিশেষ জ্ঞানৰ ভিত্তিত সামান্য বচন প্ৰতিষ্ঠা কৰিব নোৱাৰো। উদাহৰণ স্বৰূপে— ৰাম, হৰি, যদু, মধু আদি কেইজনমান মানুহৰ মৃত্যু প্ৰত্যক্ষ কৰি আমি সকলো মানুহৰে মৃত্যু নিশ্চিত বুলি ক'ব পাৰো। অৰ্থাৎ 'সকলো মানুহ হয় মৰণশীল' — এনে সামান্য বচনটো প্ৰতিষ্ঠা কৰিব পাৰো। মিলৰ মতে প্ৰকৃতিৰ একৰূপতা বিধিটোক প্ৰমাণ কৰিব নোৱাৰো। ই এক স্বতঃসিদ্ধ নিয়ম; কিন্তু এই বিধিৰ ওপৰত নিৰ্ভৰ কৰিয়েই সকলো আগমনৰ সিদ্ধান্ত প্ৰমাণিত হয়। এই বিধিয়েই সকলো আগমনৰ মূল আশ্ৰয়বাক্য। সেয়েহে এই বিধিটোক অৱশ্যস্বীকাৰ্য স্বতঃসিদ্ধ নিয়ম বুলি মানি লোৱা হয়।

মিলে প্ৰকৃতিৰ একৰূপতা বিধিটোক যদিও পূৰ্বস্বীকাৰ্য স্বতঃসিদ্ধ বুলি কৈছে, তথাপিও অন্য এক প্ৰসংগত সৰল গণনাভিত্তিক আগমনৰ ফল বুলি অভিহিত কৰিছে। অবৈজ্ঞানিক আগমনত যেতিয়া সামান্য বচনটো প্ৰতিষ্ঠা কৰা হয় তেতিয়া কোনো ধৰণৰ কাৰ্য-কাৰণ সম্বন্ধ প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰা

নহয়। একমাত্ৰ অবাধিত অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিয়েই এনে সিদ্ধান্ত কৰা হয়। প্ৰকৃতিত ঘটা ঘটনাবোৰৰ জ্ঞানো আমাৰ অভিজ্ঞতাৰ ওপৰতেই প্ৰতিষ্ঠিত। আমি অভিজ্ঞতাত দেখিবলৈ পাওঁ যে ৰাতিপুৱা হোৱাৰ লগে লগে সূৰ্য্য উদয় হয়, সন্ধিয়া হোৱাৰ লগে লগে অস্ত যায়। পানীয়ে আমাৰ তৃষ্ণা দূৰ কৰে, জুয়ে পোৰে ইত্যাদি। এনেবোৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমি প্ৰকৃতিৰ একৰূপতা বিধিটো নিশ্চিত কৰো।

মিলৰ মতে এই বিধিটো অবাধিত অভিজ্ঞতাৰে ফল। প্ৰকৃতিৰ এনে বিভিন্ন ধৰণৰ অবাধিত অভিজ্ঞতাক পৰ্যৱেক্ষণ কৰি প্ৰকৃতি সকলো ক্ষেত্ৰতেই এক বুলি নিশ্চিত কৰে। অভিজ্ঞতাৰ জৰিয়তে আমি বিশেষ বিশেষ একৰূপতাৰ দৃষ্টান্ত পাওঁ। এই বিশেষ বিশেষ দৃষ্টান্তৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমি এক সাধাৰণ একৰূপতাত উপনীত হ'ব পাৰো। আমাৰ অভিজ্ঞতাত আজিলৈকে আমি যিমান কাউৰী দেখিছো ক'লা বৰণৰ কাউৰীকেই দেখিছো। কোনো বিৰোধী দৃষ্টান্তই 'সকলো কাউৰী হয় ক'লা'ৰ ক্ষেত্ৰত বাধা দিব পৰা নাই। অৰ্থাৎ আজিলৈ আমাৰ ক'লাৰ বাহিৰে বগা বা অন্যান্য বৰণৰ কোনো কাউৰী দৃষ্টিগোচৰ হোৱা নাই। ক'লাৰ বাহিৰে আন কোনো বৰণৰ কাউৰী থাকিলে কাৰোবাৰ নহয় কাৰোবাৰ নিশ্চয় দৃষ্টিগোচৰ হ'লহেঁতেন। এনেদৰে আমি প্ৰকৃতিৰ একৰূপতা বিধিটো প্ৰতিষ্ঠা কৰো আৰু প্ৰতিষ্ঠা হোৱাৰ পিছত ই সকলো প্ৰকাৰ আগমনৰে ভিত্তি হয়। গতিকে আগমনৰ ভিত্তিয়েই আগমনৰ ফল কথাষাৰ স্বীকাৰ কৰিব লগা হয়।

মিলৰ এই প্ৰকৃতিৰ একৰূপতা বিধি সম্পৰ্কীয় উক্তি দুটা সঁচাকৈয়ে পৰস্পৰ বিৰোধী। এবাৰ তেওঁ কৈছে যে প্ৰকৃতিৰ একৰূপতা বিধিটো সকলো প্ৰকাৰ আগমনৰে মূল আশ্ৰয়বাক্য অৰ্থাৎ ই পূৰ্বস্বীকাৰ্য স্বতঃসিদ্ধ নিয়ম। আগমন অনুমানৰ সিদ্ধান্তটো প্ৰতিষ্ঠা কৰিবলৈ হ'লে এই বিধিটোক আমি আগতীয়াকৈ মানি ল'বই লাগিব। পিছত আন এক প্ৰসংগত ক'লে যে এই বিধিটোও বৈজ্ঞানিক আগমন অনুমানেহে প্ৰতিষ্ঠা কৰে। এই বিধি সকলো আগমনৰে ফল অৰ্থাৎ ই অভিজ্ঞতালব্ধ।

দেখা গ'ল যে এবাৰ মিলে প্ৰকৃতিৰ একৰূপতা বিধিটোক পূৰ্বস্বীকাৰ্য আৰু এবাৰ সিদ্ধান্ত বুলি ক'লে। কিন্তু একে সময়তে একেটা বস্তু 'পূৰ্বস্বীকাৰ্য' আৰু 'সিদ্ধান্ত' হ'ব নোৱাৰে। গতিকে মিলৰ এই বিধিটো পৰস্পৰ বিৰোধযুক্ত। মিলৰ মতৰ এই বিৰোধকেই আগমনৰ বিৰোধাভাস বুলি জনা যায়।

**সমালোচনা ঃ**

মিলে প্ৰকৃতিৰ একৰূপতা বিধি সম্পৰ্কে দিয়া এই পৰস্পৰ বিৰোধী মতবাদক আমি কোনোপধ্যেই মানি ল'ব নোৱাৰো। ই একেবাৰে যুক্তিসংগত নহয়। কাৰণ —

(১) মিলৰ মতে সকলো আগমনৰে মূল ভিত্তি হৈছে প্ৰকৃতিৰ একৰূপতা বিধি। এই বিধি অবিহনে আগমন অনুমানৰ সামান্য ধাৰণা প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়। সামান্যীকৰণ কৰিবলৈ হ'লে আমি প্ৰকৃতিৰ একৰূপতা বিধিটোক স্বীকাৰ কৰিবই লাগিব। সেই

ফালৰপৰা অবৈজ্ঞানিক আগমনৰো ভিত্তি এই বিধিয়েই। কিন্তু মিলে আকৌ ক'লে যে এই বিধিটো অবৈজ্ঞানিক আগমনৰো ফল। এতিয়া দেখা গ'ল যে মিলে যি একৰূপতা বিধিটোক ভিত্তি হিচাপে গ্ৰহণ কৰি অবৈজ্ঞানিক আগমনৰ ফল বা সিদ্ধান্ত নিঃসৃত কৰিবলৈ চেষ্টা কৰিছে, সেই একে বিধিকেই আকৌ অবৈজ্ঞানিক আগমনৰ ফল বা সিদ্ধান্ত হিচাপেও প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে। কিন্তু একে সময়তে একেলগে একে বিধি 'ভিত্তি' আৰু 'ফল' হ'ব নোৱাৰে। সেয়েহে ইয়াত এটা দোষ ঘটিছে। এই দোষ হ'ল চক্ৰক দোষ।

(২) মিলৰ মতে, প্ৰকৃতিৰ একৰূপতা বিধিটো বৈজ্ঞানিক আগমনৰো ভিত্তি। কিন্তু অবৈজ্ঞানিক আগমনৰ সিদ্ধান্তটো সদায় সম্ভাবনামূলক। কিয়নো ইয়াত কাৰ্য-কাৰণ সম্বন্ধ প্ৰতিষ্ঠা কৰাৰ কোনো চেষ্টা কৰা নহয়। প্ৰকৃতিৰ একৰূপতা বিধিটোও অবৈজ্ঞানিক আগমনৰে ফল। যিহেতু এই বিধিটোক অবৈজ্ঞানিক আগমনৰে ফল বুলি কোৱা হৈছে। সেয়েহে ইয়াৰ সিদ্ধান্তটো সম্ভাৱনামূলকহে হ'ব।

কিন্তু প্ৰকৃতিৰ একৰূপতা বিধিটোক বৈজ্ঞানিক আগমনৰ ভিত্তি হিচাপেও গ্ৰহণ কৰা হয়। বৈজ্ঞানিক আগমনৰ সিদ্ধান্ত সদায় নিশ্চিত। কিন্তু ভিত্তিটোৱেই য'ত সম্ভানামূলক, ইয়াৰ সিদ্ধান্ত কেতিয়াও নিশ্চিত হ'ব নোৱাৰে। সম্ভাৱনাৰ পৰা সম্ভাৱনাহে পাব পাৰি, নিশ্চিত কেতিয়াও পাব নোৱাৰি।

(৩) অভিজ্ঞতাবাদ মতে, কোনো বস্তুকেই পূৰ্বস্বীকাৰ্য বুলি মানি ল'ব নোৱাৰি। সকলো বস্তুৱেই অভিজ্ঞতাৰ সহায়ত আহৰণ কৰা হয়। যিহেতু মিল এজন অভিজ্ঞতাবাদী দাৰ্শনিক, সেয়েহে তেওঁ এই বিধিক পূৰ্বস্বীকাৰ্য হিচাপে মানি ল'ব পৰা নাই। তেওঁ এই বিধিটোক অবৈজ্ঞানিক আগমনৰ সিদ্ধান্ত হিচাপে মানি লৈছে।

সামৰণিত আমি ইয়াকে ক'ব পাৰো যে, তৰ্কবিজ্ঞানত প্ৰকৃতিৰ একৰূপতা বিধিটো এটা পূৰ্বস্বীকাৰ্য নিয়ম। এই নিয়মক আমি স্বীকাৰ কৰিবই লাগিব। অন্যথা আগমন অনুমানৰ সামান্যীকৰণ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হ'ব। এই বিধি কেতিয়াও অবৈজ্ঞানিক আগমনৰ ফল হ'ব নোৱাৰে। এই বিধি সকলো প্ৰকাৰ আগমনৰে ভিত্তিস্বৰূপ।

**মূল শব্দ (Key words)**

আগমন, আকাৰগতভিত্তি, বস্তুগতভিত্তি, একৰূপতা, কাৰ্য-কাৰণ, অনুক্ৰমিতা, সহ-অৱস্থান, সমানতা, অসমানতা, বিৰোধাভাস, পূৰ্ব-স্বীকাৰ্য, স্বতঃসিদ্ধ, সামান্যীকৰণ।

## পাঠৰ মূলকথা

আগমন অনুমানত অভিজ্ঞতালব্ধ বিশেষ বিশেষ আশ্ৰয় বচনৰ ওপৰত নিৰ্ভৰ কৰি এটা সাৰ্বিক বচন প্ৰতিষ্ঠা কৰা হয়। আগমনৰদ্বাৰা প্ৰতিষ্ঠা কৰা এনে সিদ্ধান্তত আকাৰগত সত্যতা আৰু বস্তুগত সত্যতা থাকিব লাগিব। আকাৰগত সত্যতা প্ৰতিষ্ঠা কৰা হয় প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধিৰ ওপৰত নিৰ্ভৰ কৰি। সেয়েহে দুয়োটা বিধিয়েই আগমনৰ আকাৰগত ভিত্তি। আকৌ আগমনৰ

বস্তুগত সত্যতা প্ৰতিষ্ঠা কৰা হয় পৰ্যৱেক্ষণৰদ্বাৰা। পৰ্যৱেক্ষণ দুটা প্ৰক্ৰিয়াৰ ওপৰত প্ৰতিষ্ঠিত— নিৰীক্ষণ আৰু পৰীক্ষণ। গতিকে এই দুয়োটা প্ৰক্ৰিয়াই আগমনৰ বস্তুগত ভিত্তি।

প্ৰকৃতিৰ একৰূপতা বিধিৰ অৰ্থ হৈছে, একেই পৰিবেশত প্ৰকৃতিয়ে একেই আচৰণ কৰে। প্ৰকৃতিয়ে বিভিন্ন বৈচিত্ৰ্যৰ মাজতো নিজৰ এক ঐক্য বজাই ৰাখে। বিশ্ব প্ৰকৃতিৰ এই বিভিন্নতাৰ মাজত থকা ঐক্যই বিশ্বপ্ৰক্ৰিয়াৰ এক সাধাৰণ চৰিত্ৰ গঠন কৰা দেখা যায়। প্ৰকৃতিৰ একৰূপতাই এই সাধাৰণ চৰিত্ৰটোকে প্ৰকাশ কৰে। এনেদৰে চালে প্ৰকৃতিৰ একৰূপতা বিধি আগমনৰ স্বতঃসিদ্ধ আশ্ৰয়বচন বুলি গ্ৰহণ কৰাত কোনো অসুবিধা নাথাকে। তৰ্কবিদ মিলে এনে মত পোষণ কৰে। কিন্তু একৰূপতা বিধিক প্ৰতিষ্ঠা কৰিবলৈ গৈ তেওঁ কৈছে যে ই অবৈজ্ঞানিক আগমনৰ এটা ফল। ইয়াতেই এক বিৰোধ দেখা যায়। তেওঁ এবাৰ এই বিধিক আগমনৰ ভিত্তি বা আশ্ৰয় বচন বুলি কৈ পিছত তাক আগমনৰ ফল বুলি কৈছে। এয়েই আগমনৰ বিৰোধাভাস।

## অনুশীলনী

১। **খালী ঠাই পূৰণ কৰা ঃ**

(ক) আগমনৰ ভিত্তি ——— প্ৰকাৰৰ।

(খ) প্ৰকৃতিৰ একৰূপতা বিধি আগমন অনুমানৰ ——— ভিত্তি।

(গ) ——— প্ৰকৃতিয়ে একে আচৰণ কৰে।

(ঘ) প্ৰকৃতিৰ একৰূপতা বিধি সম্পৰ্কে মিলে কৰা পৰস্পৰবিৰোধী উক্তিত উদ্ভৱ হোৱা তৰ্কীয় দোষটোৰ নাম — ———।

(ঙ) আগমনৰ বিৰোধাভাসৰ অৰ্থ আগমনৰ ভিত্তিয়েই আগমনৰ ——— বোলা কথাষাৰ মিলৰ উক্তিটোত নিহিত আছে।

২। **চমু উত্তৰ দিয়া ঃ**

(ক) আগমন অনুমানৰ আকাৰগত ভিত্তি কেইপ্ৰকাৰৰ আৰু কি কি ?

(খ) প্ৰকৃতিৰ একৰূপতা বিধিক আগমন অনুমানৰ আকাৰগত ভিত্তি বুলি কিয় কোৱা হয় ?

(গ) আগমনৰ বিৰোধাভাস বুলিলে কি বুজা ?

৩। **পাৰ্থক্য নিৰ্ণয় কৰা ঃ**

(ক) আগমনৰ আকাৰগত ভিত্তি আৰু বস্তুগত ভিত্তি।

(খ) প্ৰকৃতিৰ একৰূপতা বিধি আৰু কাৰ্য-কাৰণ বিধি।

৪। **চমুটোকা লিখা ঃ**

(ক) আগমনৰ বিৰোধাভাস।

(খ) আগমনৰ আকাৰগত ভিত্তি।

(গ) প্ৰকৃতিৰ একৰূপতা বিধি।

৫। প্ৰকৃতিৰ একৰূপতা বিধি বুলিলে কি বুজা? প্ৰকৃতিৰ একৰূপতা বিধি অনুসৰি বিশ্ব প্ৰকৃতিৰ স্বৰূপ ব্যাখ্যা কৰা।

৬। প্ৰকৃতিৰ বিৰোধাভাস সম্পৰ্কে কি জানা লিখা। মিলৰ এই সম্পৰ্কীয় মত গ্ৰহণ কৰিব পাৰিনে ?